আন্তঃৰাষ্ট্ৰীয়

“আমি যি কৰিব পাৰোঁ, আন কোনো দেশে সেয়া কৰিব নোৱাৰে।” ; ছি জিনপিঙক ক’লে ট্ৰাম্পে

ছি জিনপিঙৰ সৈতে বৈঠকত ড’নাল্ড ট্ৰাম্পে আমেৰিকা-চীনৰ বাণিজ্যিক সম্পৰ্কত ভাৰসাম্য ঘূৰি অহাৰ দাবী কৰে।

প্ৰকাশ: ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৪



US President Donald Trump & Chinese President Xi Jinping on APEC summit. (Social Media)

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পে চীনৰ সৈতে বাণিজ্যিক সম্পৰ্কত ভাৰসাম্য ঘূৰি অহা বুলি দাবী কৰিছে। বৃহস্পতিবাৰে এপেক শীৰ্ষ সন্মিলনৰ সমান্তৰালভাৱে চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙৰ সৈতে অনুষ্ঠিত বৈঠকৰ আৰম্ভণিতে তেওঁ এই কথা কয়।

ট্ৰাম্পে কয়, দুয়োখন দেশে এতিয়া ন্যায্য পদ্ধতিৰে শুল্ক আৰোপ কৰি আছে। যোৱা মে’ মাহত বেইজিঙত অনুষ্ঠিত শীৰ্ষ বৈঠকত দুয়ো নেতাই গঠনৰ বাবে সন্মত হোৱা বাণিজ্য ব’ৰ্ডে আমেৰিকা-চীনৰ বাণিজ্যিক সম্পৰ্কত ভাৰসাম্য আনিছে বুলিও তেওঁ দাবী কৰে।

> “আমি যি কৰিব পাৰোঁ, আন কোনো দেশে সেয়া কৰিব নোৱাৰে।”

বিগত দুটা বছৰত আমেৰিকাই অবিশ্বাস্য কাম কৰিছে বুলি উল্লেখ কৰি ট্ৰাম্পে নিজৰ প্ৰশাসনৰ কাৰ্যকলাপৰ

প্রশংসা কৰে। একে সময়তে, বিগত কেইবাবছৰত চীনে লাভ কৰা অগ্রগতিকো তেওঁ স্বীকাৰ কৰে।

ছি জিনপিঙক নিজৰ বন্ধু বুলি অভিহিত কৰি ট্রাম্পে দুয়োখন দেশৰ সম্পর্কক বিশেষ সম্পর্ক বুলি বর্ণনা কৰে। তেওঁ কয় যে, দুয়ো নেতা দায়িত্বত থকালৈকে তেওঁলোকৰ মাজত কোনো সমস্যা হ'ব বুলি তেওঁ নাভাবে। আগদিনা নিশা ছি জিনপিঙৰ সৈতে প্রায় দুই ঘণ্টা ধৰি কথা-বতৰা হৈছিল বুলিও তেওঁ প্রকাশ কৰে।

ইয়াৰ মাজতে, ৰাছিয়াৰ ৰাষ্ট্রপতি ভ্লাদিমিৰ পুটিন আৰু ছি জিনপিঙৰ সৈতে প্রস্তাৱিত ত্রিপাক্ষিক বৈঠকত ইউক্রেইন যুদ্ধৰ অন্ত পেলোৱাৰ বিষয়টো আলোচনা কৰিব বিচাৰে বুলি ট্রাম্পে জনায়। অৱশ্যে এই আলোচনাৰ ফলাফল কি হ'ব, সেয়া এতিয়াও স্পষ্ট নহয়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4356/trump-xi-us-china-trade-apec